অধ্যায় ১৩ ঃ জোনাকী যুগৰ সাহিত্য — ২

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ জোনাকী যুগৰ সাহিত্য
১৩.৩.১ উপন্যাস
১৩.৩.২ নাটক
১৩.৩.৩ অন্যান্য সাহিত্য
১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৫ অধিক জানিবলৈ
১৩.৬ অগ্রগতিৰ খতিয়ান
১৩.৭ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- জোনাকী বা ৰোমাণ্টিক যুগৰ উপন্যাস সাহিত্যৰ বিষয়ে জ্ঞাত হ'ব
- জোনাকী যুগৰ নাট্য সাহিত্যৰ সবিশেষ জানিব পাৰিব
- জোনাকী যুগত ৰচিত অন্যান্য সাহিত্যৰাজিৰ বিষয়ে অৱগত হ'ব।

১৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আপুনি জোনাকী যুগৰ পটভূমি তথা সেই সময়ৰ সাহিত্যৰাজিৰ বৈশিষ্ট্য সম্পৰ্কে অধ্যয়ন কৰিবলৈ পালে। লগতে সেই সময়ছোৱাৰ কবিতা আৰু চুটি গল্প সম্পৰ্কেও অৱগত হ'ল। ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে এই সময়ছোৱাত অসমীয়া উপন্যাস সাহিত্যৰ লগতে নাট্য সাহিত্যৰো বিকাশ ঘটিল। তাৰ লগতে আন আন বিবিধ সাহিত্যৰো সৃষ্টি হ'ল। এই অধ্যায়টোত আমি জোনাকী যুগত ৰচিত উপন্যাস, নাটক আৰু অন্যান্য সাহিত্য সম্পৰ্কে বহলাই আলোচনা কৰিম।

অধ্যায়টিৰ অধ্যয়নে আপোনাক জোনাকী যুগৰ অসমীয়া সাহিত্যৰ সম্পূৰ্ণ পৰিচয় প্ৰদান কৰিব।

১৩.৩ জোনাকী যুগৰ সাহিত্য

ইতিমধ্যে আপুনি গম পাইছে যে জোনাকী যুগৰ সাহিত্য মানে মূলতঃ ৰোমাণ্টিক ভাবধাৰা সম্পন্ন সাহিত্য। এই সময়ছোৱাত অসমীয়া ছাত্রসকলে ইংৰাজী সাহিত্যৰ শ্বেইক্সপীয়েৰ, ৱর্ডচৰ্থ, শ্যেলী, কীটচ্ আদি কবিসকলৰ ৰোমাণ্টিক ভাৱধাৰাৰ দ্বাৰা অনুপ্রাণিত হৈ অসমীয়া সাহিত্যতো এই নতুন ধাৰাটো সংযোগ কৰিবলৈ মনস্থ কৰে। এই সময়তেই প্রকৃত অর্থত ধর্ম-নিৰপেক্ষ সাহিত্যৰ পৰম্পৰা গঢ় লৈ উঠে আৰু পাশ্চাত্য সাহিত্যৰ দৰে অসমীয়া সাহিত্যতো কবিতা, চুটি গল্প, উপন্যাস, নাটক আদি নতুন নতুন সাহিত্যৰ সৃষ্টি হ'বলৈ ধৰে। পূর্বৱর্তী অধ্যায়ত আমি জোনাকী যুগৰ কবিতা আৰু চুটি গল্প সম্পর্কে অধ্যয়ন কৰিলোঁ। এতিয়া আমি জোনাকী যুগৰ উপন্যাস, নাটক আৰু অন্যান্য সাহিত্যৰ বিষয়ে বহলাই আলোচনা কৰিম।

১৩.৩.১ উপন্যাস

অসমীয়া উপন্যাস পাশ্চাত্য, বিশেষকৈ ইংৰাজী শিক্ষা আৰু সাহিত্যৰ প্রভাৱৰ ফল। কাহিনী কোৱা আৰু শুনাৰ যি এটা স্বাভাৱিক প্রবৃত্তি মানুহৰ আছে, সেই প্রবৃত্তি বাস্তৱতাৰ ভেটিত চৰিতার্থ কৰিবলৈ যোৱাৰ প্রয়াসতে উপন্যাসৰ জন্ম। অসমীয়া উপন্যাসৰ প্রকৃত ধাৰা আৰম্ভ হয় পদ্মনাথ গোহাঞি বৰুৱাৰ *ভানুমতী*(১৮৯০) উপন্যাসৰ যোগেদি। কিন্তু ইয়াৰ আগতেই উপন্যাসৰ বীজ অংকুৰিত হৈছিল আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলে উলিওৱা *অৰুনোদই* কাকতত। *অৰুনোদই*ত প্রকাশিত *যাত্রিকৰ যাত্রা (১৮৫০), ফুলমণি আৰু কৰুণা (১৮৩৩), এলোকেশী বেশ্যাৰ কথা (১৮৩৩), কামিনীকান্ত (১৮৩৩), সুধর্মাৰ উপাখ্যান (১৮৮৪)* আদি কাহিনীত উপন্যাসৰ সোৱাদ সেৱেকাকৈ হ'লেও পোৱা গৈছিল। আনহাতে, হেমচন্দ্র বৰুৱাৰ *বাহিৰে ৰং-চং ভিতৰে কোৱাভাতুৰী*ত (১৮৩৬) উপন্যাসৰ জঁকাটো অন্ততঃ আমি দেখিবলৈ পাওঁ। কিন্তু আধুনিক অর্থত প্রকৃত উপন্যাস বুলিলে যি শ্রেণী সাহিত্যক বুজা যায়, ওপৰত উল্লেখ কৰা কাহিনীসমূহত সেই বৈশিষ্ট্যসমূহ দেখিবলৈ পোৱা নাযায়। খ্রীষ্টধর্ম প্রচাৰৰ উৎকট প্রচেষ্টা, সমাজ সংস্কাৰৰ তীব্র মানসিকতা তথা কলা-কৌশলৰ দুর্বলতা আদিৰ বাবে এইবোৰে প্রকৃত উপন্যাসৰ শাৰীত থিয় হ'ব নোৱাৰিলে। তথাপি অসমীয়া উপন্যাসৰ ইতিহাসত এই কাহিনীসমূহৰ বিশেষ মূল্য আছে। সেইবাবে *ভানুমতী*ৰ পূর্বৱর্তীকালত ৰচিত উপন্যাসধর্মী কাহিনীসমূহৰ একোটিকৈ চমু পৰিচয় জ্ঞাপন কৰিবলৈ প্রয়াস কৰা হ'ল।

অসমীয়া উপন্যাসধর্মী কাহিনীসমূহৰ ভিতৰত প্রথম ৰচনা হ'ল *যাত্রিকৰ যাত্রা*। এই ৰচনা ১৮৫০-৫১ চনৰ *অৰুনোদই*ত ছোৱা ছোৱাকৈ প্রকাশ পাইছিল। *যাত্রিকৰ যাত্রা* দৰাচলতে জন বনিয়নৰ *Pilgrim's Progress*ৰ অসমীয়া ৰূপান্তৰ। অসমীয়ালৈ ইয়াক অনুবাদ কৰিছিল নাথান ব্রাউনে। পাপ ভাৰক্লিষ্ট মানুহ কেনেকৈ মুক্তিপথৰ পথিক হয় আৰু শেষত ভগৱৎ দর্শন লাভৰ দ্বাৰা জীৱন কেনেকৈ ধন্য কৰিব পাৰি তাকেই

বনিয়নে বর্ণনা কৰিছে। অৱশ্যে ইয়াত খ্ৰীষ্টধর্মৰ মতবাদ প্রতিষ্ঠা কৰাৰ চেষ্টা সুস্পষ্ট। অনূদিত হ'লেও *যাত্রিকৰ যাত্রা*ই ভৱিষ্যৎ অসমীয়া উপন্যাস-সাহিত্যৰ সম্ভাৱনা দাঙি ধৰিছিল বা উপন্যাস ৰচনাৰ পথ মুকলি কৰি দিছিল।

*যাত্রিকৰ যাত্রা*ৰ পাছতে একেলগে (১৮৩৩ চনত) তিনিখন উল্লেখযোগ্য কাহিনীমূলক প্রচাৰ গ্রন্থ মিছনেৰীসকলৰ দ্বাৰা প্রকাশ পায়। সেইকেইখন হ'ল — *এলোকেশী বেশ্যাৰ কথা, কামিনীকান্ত* আৰু *ফুলমণি আৰু কৰুণা*। প্রথম দুখন মিষ্টাৰ গার্ণিয়ে আৰু তৃতীয়খন মিছেছ গার্ণিয়ে ৰচনা কৰা। *এলোকেশী বেশ্যাৰ কথা* আৰু *ফুলমণি আৰু কৰুণা* বাংলা ভাষাৰ পৰা অনূদিত। *এলোকেশী বেশ্যাৰ কথা*ত এলোকেশী নামৰ এজনী কুমলীয়া কালতে বিধৱা হোৱা যুৱতীৰ জীৱনৰ বিচিত্র অভিজ্ঞতা, প্রলোভনত পৰি চৰিত্রস্খলন, ৰক্ষিতা আৰু পাছত বেশ্যা ৰূপে জীৱন যাপন আৰু সর্বশেষত উদাৰ খ্ৰীষ্টধর্মত শৰণ লৈ পৰিত্র জীৱন পথলৈ প্রত্যাৱর্তন প্রদর্শন কৰিছে। *ফুলমণি আৰু কৰুণা*ত দুগৰাকী খ্ৰীষ্টীয়ান নাৰীৰ কাহিনী বর্ণনা কৰা হৈছে। খ্ৰীষ্টধর্মৰ সংস্পর্শলৈ আহি তেওঁলোকৰ জীৱন কেনেকৈ ধন্য হৈছে তাৰ বর্ণনা ইয়াত পোৱা যায়। আনহাতে *কামিনীকান্ত*ত পা�ৰিবাৰিক জীৱনৰ ঘটনা কিছুমানৰ যোগেদি খ্ৰীষ্টধর্মৰ মাহাত্ম্য প্রতিপন্ন কৰিবলৈ প্রয়াস কৰা হৈছে।

মিছনেৰীসকলৰ প্রচাৰধর্মী উক্ত কাহিনীকেইটিৰ সমসাময়িকভাৱে প্রকাশ পায় হেমচন্দ্র বৰুৱাৰ *বাহিৰে ৰং-চং ভিতৰে কোৱাভাতুৰী* (১৮৩৬)। ই ব্যংগাত্মক কাহিনী। ইংৰাজ আমোলৰ আগছোৱাৰ 'বাহিৰ শুৱনি ভিতৰি ফোঁপোলা' সমাজখনৰ ভণ্ড, চৰিত্রহীন আৰু দুর্নীতিগ্রস্ত একশ্রেণী ব্যক্তিৰ কদর্য ৰূপ ইয়াত প্রকাশ কৰা হৈছে।
১৮৮৪ চনত প্রকাশ হয় পদ্মাৱতী দেৱী ফুকননীৰ *সুধর্মাৰ উপাখ্যান*। এই উপাখ্যানটিত মিছনেৰীসকলৰ দৰে ধর্মৰ প্রচাৰৰ উদ্দেশ্য নাই; কিন্তু কাহিনী বর্ণনাৰ ক্ষেত্রত প্রাচীন আখ্যানৰ ৰীতি অনুকৰণ কৰা হৈছে।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে *ভানুমতী*ৰ পূর্বৱর্তী কালত যিবিলাক উপন্যাসধর্মী কাহিনী ৰচনা হৈছিল তাৰ বেছিভাগেই আছিল অনূদিত। আনহাতে, এই কাহিনীসমূহ ৰচনাৰ উদ্দেশ্য আছিল খ্ৰীষ্টধর্ম প্রচাৰ কৰা। *বাহিৰে ৰং-চং ভিতৰে কোৱাভাতুৰী* আৰু *সুধর্মাৰ উপাখ্যান*ত ধর্ম প্রচাৰৰ প্রচেষ্টা নাই যদিও তীব্র ব্যংগভাব আৰু কাহিনী-কথনৰ প্রাচীনতাৰ বাবে এই দুখনেও প্রকৃত উপন্যাসৰ শাৰীত থিয় হ'বলৈ যোগ্যতা অর্জন কৰিব নোৱাৰিলে। তথাপি এই কথা উল্লেখনীয় যে অসমীয়া উপন্যাসৰ জন্ম তথা বিকাশত এইকেইখনৰ ঐতিহাসিক মূল্য তথা গুৰুত্ব কোনোপধ্যে অস্বীকাৰ কৰিব নোৱাৰি।

উপন্যাসৰ আংগিক কলা-কৌশলৰ ফালে দৃষ্টি ৰাখি আলোচনা কৰিবলৈ গ'লে *ভানুমতী*ক প্রথম উপন্যাস বুলি ক'ব লাগিব। পদ্মনাথ গোহাঞিবৰুৱাৰ এই উপন্যাসখন প্রথমে *বিজুলী*ৰ পাতত ১৮৯০-৯১ চনত ছোৱা ছোৱাকৈ প্রকাশ পাইছিল।

পাছত পুথি আকাৰে ১৯০৮ চনত প্ৰকাশ পায়। *ভানুমতীৰ* পাছত গোহাঞিবৰুৱাৰ পুথি আকাৰত প্ৰকাশ পায় *লাহৰী* (১৮৯২)। আনহাতে *জোনাকীৰ* পাততে লক্ষ্মীনাথ বেজবৰুৱাৰ *পদুম কুঁৱৰী* প্ৰকাশ পায় ১৮৯০-১৮৯১ চনত, এইখন উপন্যাস পুথিৰ আকাৰত প্ৰকাশিত হয় ১৯০৫ চনত। এইকেইখন উপন্যাস প্ৰকাশ পোৱাৰ লগে লগে অসমীয়া উপন্যাস সাহিত্যই বৈশিষ্ট্যপূৰ্ণ গঢ় ল'বলৈ আৰম্ভ কৰে। গোহাঞি বৰুৱাৰ উপন্যাস দুখন আহোম যুগৰ পটভূমিত আৰু বেজবৰুৱাৰ উপন্যাসখন *দন্দুৰাদ্ৰোহ*ৰ পটভূমিত ৰচিত ঐতিহাসিক উপন্যাস।

প্ৰকৃততে অসমীয়া উপন্যাসৰ ভেটি সুপ্ৰতিষ্ঠিত হয় ৰজনীকান্ত বৰদলৈৰ হাততহে। সেই যুগত তেৱেঁই আশাশুধীয়াভাৱে উপন্যাস ৰচনা কৰে আৰু আজিলৈকে অসমীয়া উপন্যাসৰ ক্ষেত্ৰত বৰদলৈয়ে এখনি বিশিষ্ট আসন লাভ কৰি আহিছে। বৰদলৈয়ে ৰচনা কৰা নখন উপন্যাসৰ ভিতৰত আঠখনেই ঐতিহাসিক উপন্যাস। সেইকেইখন হ'ল— *মনোমতী (১৯০১), ৰঙ্গিলী (১৯২৫), ৰাধা-ৰুক্মিণী (১৯২৫), নিৰ্মল ভকত (১৯২৫), দন্দুৰাদ্ৰোহ (১৯২৮), ৰহদৈ লিগিৰী (১৯৩০), তাম্ৰেশ্বৰী মন্দিৰ (১৯২৬)* আৰু *খান্দা-থুইবী (১৯৩২)*। বৰদলৈক অতিক্ৰম কৰি যাব পৰা ঐতিহাসিক ঔপন্যাসিক দ্বিতীয় এজন আজিলৈকে ওলোৱা নাই। সেইবাবে বৰদলৈক 'উপন্যাস সম্ৰাট' আখ্যা দিয়াই নহয়, 'অসমীয়া স্কট', 'অসমৰ বংকিমচন্দ্ৰ' বুলিও অভিহিত কৰা হয়। বৰদলৈৰ একমাত্ৰ সামাজিক উপন্যাসখন হ'ল *মিৰি জীয়ৰী* (১৮৯৪)। এইখনেই আছিল তেওঁৰ প্ৰথম উপন্যাস। *মিৰি জীয়ৰী*ত অসমৰ অন্যতম জনজাতি মিচিংসকলৰ সামাজিক, ধৰ্মীয়, অৰ্থনৈতিক আদি অৱস্থাৰ পটভূমিত প্ৰণয়মূলক কাহিনী এটা গঢ়ি তোলা হৈছে।

ৰজনীকান্ত বৰদলৈৰ পাছত ঐতিহাসিক ঔপন্যাসিক নাই বুলিয়েই ক'ব পাৰি। দৰাচলতে, বৰদলৈৰ হাতত অসমীয়া ঐতিহাসিক উপন্যাসৰ জন্ম আৰু বিকাশ ঘটিল, লগতে ই পূৰ্ণ প্ৰতিষ্ঠাও লাভ কৰিলে। বৰদলৈৰ পৰৱৰ্তী কালত আঙুলিৰ মূৰত লেখিব পৰা কেইখনমান ঐতিহাসিক উপন্যাসৰ জন্ম হৈছিল যদিও সাহিত্যৰ বুৰঞ্জীত গুৰুত্বপূৰ্ণ স্থান দখল কৰিবলৈ সক্ষম নহ'ল। তেনে উপন্যাস কেইখনমান হ'ল হিতেশ্বৰ বৰুৱাৰ *মালিতা* (১৯১৪), শৰৎ চন্দ্ৰ গোস্বামীৰ *পানীপথ* (১৯৩০), হৰিনাৰায়ণ দত্তবৰুৱাৰ *চিত্ৰদৰ্শন* (১৯৩১)। *মালিতা*ৰ পটভূমি প্ৰতাপসিংহৰ ৰাজত্বকালত সংঘটিত আহোম-কছাৰীৰ সংঘৰ্ষ। বাবৰ আৰু ইব্ৰাহীম লোডীৰ মাজত হোৱা পানীপথৰ যুদ্ধ আৰু বাবৰ তথা ৰাণা সংগ্ৰাম সিংহৰ মাজত ঘটা ফতেহপুৰ চিক্ৰিৰ যুদ্ধৰ পটভূমিত ৰচিত হৈছে গোস্বামীৰ *পানীপথ* উপন্যাস। আনহাতে দত্তবৰুৱাৰ *চিত্ৰদৰ্শন* শৰাইঘাট যুদ্ধৰ পটভূমিত ৰচিত।

১৯৪০ চনলৈ অসমীয়া উপন্যাসৰ ধাৰালৈ লক্ষ্য কৰিলে দেখা যায় যে প্ৰথমছোৱাত ঐতিহাসিক উপন্যাসে আৰু তৃতীয় দশকৰ পৰা সামাজিক উপন্যাসে বিকাশ লাভ কৰিবলৈ আৰম্ভ কৰে। কিন্তু বৰদলৈক বাদ দিলে একান্তভাৱে উপন্যাস

ৰচনাত মনোনিৱেশ কৰা ঔপন্যাসিক নাই বুলিলেও হয়। তথাপি ছেগা-চোৰোকাকৈ হ'লেও সামাজিক উপন্যাস কেইখনমানো এই সময়ছোৱাৰ ভিতৰতে প্ৰকাশ পাইছিল। তেনে উপন্যাস কেইখনমান হ'ল— হৰেশ্বৰ শৰ্মা বৰুৱাৰ *কুসুম কুমাৰী* (১৯০৫), নবীনচন্দ্ৰ ভট্টাচাৰ্যৰ *চন্দ্ৰপ্ৰভা* (১৯০৮), চিন্তাহৰণ পাটগিৰিৰ *সংসাৰ-চিত্ৰ* (১৯২১), দণ্ডীধৰ সোণোৱালৰ *চপলা* (১৯২২), ভৱদেৱ ভাগৱতীৰ *লীলা* (১৯২৪), কমলেশ্বৰ চলিহাৰ *প্ৰিয়া*, স্নেহলতা বৰুৱাৰ *বীণা* (১৯২৬), *বেমেজালি* (১৯৩৪), চন্দ্ৰপ্ৰভা শইকীয়ানীৰ *পিতৃভিঠা* (১৯৩৩) আদি।

এই সময়ছোৱাৰ ভিতৰত আৱিৰ্ভাৱ ঘটা ঔপন্যাসিকসকলৰ ভিতৰত দুগৰাকী বিশেষভাৱে উল্লেখনীয়। সেই দুগৰাকী ঔপন্যাসিক হ'ল— দণ্ডিনাথ কলিতা আৰু দৈৱচন্দ্ৰ তালুকদাৰ। দণ্ডিনাথ কলিতাই *ফুল (১৯২০), সাধনা (১৯২৮), আৱিষ্কাৰ* (১৯৩৮), *গণবিপ্লৱ* (১৯৪৮) — এই চাৰিখন উপন্যাসৰ যোগেদি ঔপন্যাসিক হিচাপে অসমীয়া সাহিত্যত পৰিচয় দিবলৈ সক্ষম হৈছে। ইয়াৰে ভিতৰত *সাধনা* নিঃসন্দেহে শ্ৰেষ্ঠ উপন্যাস। দৈৱচন্দ্ৰ তালুকদাৰে *ধুঁৱলী-কুঁৱলী (১৯২২), আগ্নেয়গিৰি (১৯২৪), অপূৰ্ণ (১৯৩১-৩২), আদৰ্শ পীঠ* আৰু *দুনিয়া (১৯৬১)* — এই পাঁচখন উপন্যাস ৰচনা কৰিছে। ইয়াৰ ভিতৰত *অপূৰ্ণ* শ্ৰেষ্ঠ উপন্যাস। এই দুয়োগৰাকী ঔপন্যাসিকৰ উপন্যাসতে সমাজ-সমালোচনাই মুখ্য স্থান লাভ কৰিছে।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে ১৯৪০ চনৰ ভিতৰত অসমীয়া ভাষাত যিখিনি উপন্যাস ৰচনা হ'ল, সেই উপন্যাসখিনিৰ প্ৰথমাৰ্ধত ঐতিহাসিক উপন্যাসে বিস্তাৰ লাভ কৰিছিল, কিন্তু তৃতীয় দশকৰ পৰা ঐতিহাসিক উপন্যাসৰ সলনি সামাজিক উপন্যাসে বিকাশ লাভ কৰিবলৈ আৰম্ভ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনগৰাকী ঔপন্যাসিকৰ হাতত অসমীয়া উপন্যাস ৰচনাৰ প্ৰকৃত ধাৰা আৰম্ভ হয়?

.....

প্ৰশ্ন নং ২ ঃ কোনগৰাকী অসমীয়া ঔপন্যাসিকক 'উপন্যাস সম্ৰাট', 'অসমীয়া স্কট' আদি নামেৰে অভিহিত কৰা হৈছে?

.....

১৩.৩.২ নাটক

ব্ৰিটিছ ৰাজত্বৰ আৰম্ভৰ লগে লগে প্ৰাচীন অঙ্কীয়া নাটৰ ৰচনা হ্ৰাস পাই আহিল। কেৱল গাঁওবোৰতহে অঙ্কীয়া নাটৰ ৰচনা আৰু অভিনয় কিছুকাল অব্যাহতভাৱে চলি

আছিল। কিন্তু চহৰৰ শিক্ষিত শ্রেণীৰ মাজত পাশ্চাত্য নাটকৰ আদর্শত নতুন নাট উদ্ভৱৰ সূচনা হ'ল। ইংৰাজী নাটৰ সোৱাদ পোৱা নতুন শিক্ষিত শ্রেণীয়ে কলিকতাত বাংলা নাটকৰ আর্হি আৰু অভিনয় দেখি তেনে নাট ৰচনা কৰি অভিনয় কৰিবলৈ অনুপ্রেৰণা পায়। নাট্য চর্চা আৰু নাট্যানুশীলনৰ ক্ষেত্রত পাশ্চাত্য জগতৰ পৰা পোনপটীয়াভাৱে এই প্রভাৱ আৰু প্রেৰণা লাভ কৰা নাছিল; ওচৰ-চুবুৰীয়া বংগদেশৰ পৰাহে লাভ কৰিছিল। সেই সময়ত অসমীয়াৰ কাৰণে একমাত্র উচ্চশিক্ষাৰ কেন্দ্রস্থল আছিল কলিকতা। বাঙালীসকলে অসমীয়াতকৈ বহু আগতে ইংৰাজৰ সংস্পর্শলৈ অহাৰ কাৰণে কলিকতাত পাশ্চাত্য ৰংগমঞ্চৰ আর্হিত ৰংগশালা আৰু প্রেক্ষাগৃহ নির্মাণ কৰি পাশ্চাত্য নাটৰ আর্হিত বাংলা নাট ৰচনা কৰি অভিনয় কৰিছিল। ঊনবিংশ শতাব্দীৰ শেষৰফালে অসমীয়া ডেকাসকলে কলিকতাত উচ্চশিক্ষা লওঁতে বাংলা নাট আৰু অভিনয় দেখি সেই আদর্শত অসমীয়া নাট ৰচনা আৰু অভিনয় কৰিবলৈ প্রয়াস কৰে। কেইগৰাকীমান উৎসাহী অসমীয়া ব্যক্তিৰ প্রচেষ্টাত অসমৰ প্রধান নগৰ গুৱাহাটী, যোৰহাট, গোলাঘাট, তেজপুৰ, শিৱসাগৰ, নগাঁও, মঙলদৈ আদিত ঊনৈশ শতিকাৰ শেষ তথা বিংশ শতিকাৰ আদি দশকত কলিকতাৰ অনুকৰণত ৰংগমঞ্চ স্থাপিত হয়। ৰংগমঞ্চ স্থাপনৰ পাছৰেপৰা অসমত নিয়মীয়াভাৱে নাট্যচর্চা আৰু অভিনয় ক্রমান্বয়ে গতিশীল হ'বলৈ আৰম্ভ কৰে।

আধুনিক যুগৰ প্রথমগৰাকী নাট্যকাৰ হ'ল গুণাভিৰাম বৰুৱা। এওঁ ১৮৫৭ চনত *ৰাম-নৱমী নাটক* নাট ৰচনা কৰে। *ৰাম-নৱমী নাটক* প্রথম আধুনিক নাটকেই নহয়; প্রথম অসমীয়া সামাজিক তথা ট্রেজেদিমূলক নাটক। পাশ্চাত্য নাটকৰ আদর্শেৰে ইয়াত দুখাত্মক পৰিণতিৰে প্রথমবাৰৰ বাবে ট্রেজেদিৰ সংযোগ কৰা হৈছে। বিষয়বস্তুৰ অভিনৱত্বৰ উপৰি নাটকীয় কলা-কৌশলৰ ফালৰ পৰাও *ৰাম-নৱমী নাটক* নব্য অসমীয়া নাটকৰ ক্ষেত্রত পথিকৃত। কলিকতা প্রবাসী, সমাজ সচেতন, উদাৰ আৰু প্রগতিশীল দৃষ্টিভঙ্গীৰ গুণাভিৰাম বৰুৱাৰ ওপৰত ঈশ্বৰচন্দ্র বিদ্যাসাগৰ আৰু ব্রহ্ম সমাজৰ প্রভাৰ পৰাটো স্বাভাৱিক। সেইবাবে *ৰাম-নৱমী নাটকত* বাল্য বিবাহৰ কুফল আৰু বিধৱা বিবাহৰ সপক্ষে যুক্তি দাঙি ধৰা হৈছে।

১৮৬১ চনত ভাষাৰ ওজা হেমচন্দ্র বৰুৱাৰ *কানীয়াৰ-কীর্তন* ৰচিত আৰু প্রকাশিত হয়। বৰুৱা কথাই-কামে-আদর্শৰে সমাজ সংস্কাৰক আছিল। সমকালীন অসমীয়া সমাজখনৰ দোষ-দুর্বলতা, ব্যক্তি আৰু সমাজৰ চাৰিত্রিক ত্রুটী-বিচ্যুতি সমালোচনা কৰাত হেমচন্দ্র বৰুৱাৰ কলম আছিল অতিকৈ নির্মম। *কানীয়াৰ-কীর্তনত* কানি বৰবিহৰ অপকাৰিতা দেখুওৱাৰ লগে লগে ধর্মৰ নামত ভণ্ডামি, ক্ষমতাৰ নামত দুর্নীতি আৰু প্রৱঞ্চনাৰ চিত্র ব্যংগ ৰূপত অংকন কৰিছে। 'টাইপ' চৰিত্রৰ যোগেদি নাটকীয় ঘটনাক আগবঢ়াই নিয়া চাৰি অঙ্কযুক্ত *কানীয়াৰ-কীর্তন* নামৰ এই সংস্কাৰমূলক নাটকখন ৰচনা কৰি হেমচন্দ্র বৰুৱাই আলোড়নৰ সৃষ্টি কৰিছিল। বৰুৱাৰ জীৱিত কালতেই নাটখনিৰ ছটা সংস্কৰণ প্রকাশ পাইছিল। ইয়ে নাটখনিৰ জনপ্রিয়তাৰ প্রমাণ দাঙি ধৰে।

১৮৭২ চনত আন এখন সামাজিক নাট ৰুদ্ৰৰাম বৰদলৈৰ *বঙাল-বঙালনী* ৰচিত আৰু প্ৰকাশিত হয়। আঠটা অংকযুক্ত এই নাটকত নাট্যকাৰে নাৰী চৰিত্ৰ স্খলনৰ এক জটিল ঘটনাৰ ৰূপদান কৰিছে। অসমলৈ বেহাবেপাৰ কৰিবলৈ অহা নিম্ন-শ্ৰেণীৰ বাঙালীৰ ব্যভিচাৰী জীৱন, চৰিত্ৰহীনতা আৰু তাৰ লগতে জাত্যান্তৰ হোৱা ব্যভিচাৰিণী অসমীয়া তিৰোতাৰ ব্যৱহাৰ আৰু কাৰ্যকলাপ চিত্ৰিত কৰিছে।

ঐতিহাসিক দৃষ্টিকোণেৰে চালে পুৰণি ৰীতিৰ পৰা আঁতৰি আহি নতুন আৰ্হিৰে ৰচনা কৰা নাটসমূহৰ ভিতৰত প্ৰথমে উক্ত নাটকেইখনলৈ মনত পৰে। গুণাভিৰাম বৰুৱাৰ *ৰাম-নৱমী নাটক*, হেমচন্দ্ৰ বৰুৱাৰ *কানীয়াৰ-কীৰ্তন* আৰু ৰুদ্ৰৰাম বৰদলৈৰ *বঙাল-বঙালনী* এই তিনিওখনেই আছিল সামাজিক তথা সমাজ সংস্কাৰমূলক নাটক। এই প্ৰসংগত এগৰাকী নাট্য-সমালোচকে মন্তব্য দি কৈছে — "আধুনিক যুগৰ অগ্ৰগণ্য নাট্যশিল্পী হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আৰু ৰুদ্ৰৰাম বৰদলৈ এই ত্ৰিমূৰ্তিৰ হাতত বিষয়বস্তুৰে একেবাৰে বোল সলালে... ...এয়ে আধুনিক অসমীয়া নাট্য জগতৰ নৱ কল্পাৰম্ভ।"

১৮৮৮ চনত কলিকতা প্ৰবসুৱা শিক্ষিত ডেকা চাৰিজনে মহাকবি শ্ৱেইক্সপীয়েৰৰ *Comedy of Errors* ভাঙনি কৰি *ভ্ৰমৰংগ* নাম দি প্ৰকাশ কৰে আৰু অভিনয়ো কৰে। ভাঙনি কৰিছিল যুটীয়াভাৱে ৰমাকান্ত বৰকাকতী, ঘনশ্যাম বৰুৱা, গুঞ্জানন বৰুৱা আৰু ৰত্নধৰ বৰুৱাই। মূলৰ Blank Verse বা অমিত্ৰাক্ষৰ ছন্দ পৰিহাৰ কৰি কেৱল গদ্যকে প্ৰকাশৰ বাহন ৰূপে গ্ৰহণ কৰিছিল তেওঁলোকে।

ভ্ৰমৰংগ প্ৰকাশৰ লগে লগেই অসমীয়া সাহিত্যৰ ৰোমাণ্টিক তথা জোনাকী যুগৰ আৰম্ভ হয়। *জোনাকী*ৰ প্ৰথম সংখ্যাতে বেজবৰুৱাৰ *লিতিকাই* প্ৰকাশ পায় আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ তত্ত্বাৱধানত ছোৱা ছোৱাকৈ কেইবাটাও সংখ্যাত ধাৰাবাহিকভাৱে প্ৰকাশিত হয়। নাট্যকাৰ হিচাপে বেজবৰুৱাই প্ৰথম জীৱন আৰম্ভ কৰে কলিকতাৰ ইডেন গার্ডেনত। ৰসৰাজ বেজবৰুৱাই প্ৰহসন বা লঘু হাস্যৰসাত্মক নাটক *লিতিকাই* ইডেন গার্ডেনৰ বেঞ্চত বহি বহি ৰচনা কৰে। কিতাপ আকাৰে ছপা হৈ ওলায় ১৮৯০ চনত। ইয়াৰ প্ৰায় কুৰি বছৰ পাছত অর্থাৎ ১৯১৩ চনতহে বাকীকেইখন প্ৰহসন *নোমল, পাঁচনি* আৰু *চিকৰপতি নিকৰপতি* ছপা হৈ ওলায়। তাৰ পাছত একেটা বছৰতে (১৯১৫ চনত) তেওঁৰ বুৰঞ্জীমূলক নাটক *জয়মতী কুঁৱৰী, চক্ৰধ্বজ সিংহ* আৰু *বেলিমাৰ* — এই তিনিওখন প্ৰকাশ পায়। গতিকে দেখা যায় নাট্যকাৰ হিচাপেও বেজবৰুৱাৰ অসমীয়া সাহিত্যলৈ অৱদান একেবাৰে কম নহয়। বিমল হাস্যৰস বেজবৰুৱাৰ প্ৰহসনকেইখনৰ মূল সম্পদ। আনহাতে ঐতিহাসিক নাটককেইখনত তেওঁৰ কীৰ্তি বহু পৰিমাণে নিহিত আছে। এইকেইখন নাটকৰ যোগেদিয়েই অসমীয়া নাটকত শ্ৱেইক্সপীয়েৰৰ প্ৰভাৱ মুকলি কৰি দিয়া হয়।

লক্ষ্মীনাথ বেজবৰুৱাৰ সমসাময়িকভাৱে নাটক ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি তোলা আন এগৰাকী নাট্যকাৰ হ'ল পদ্মনাথ গোহাঞিবৰুৱা। এৰেঁই

প্ৰথমগৰাকী বুৰঞ্জীমূলক নাট্যকাৰ। বেজবৰুৱাৰ দৰে এৰোঁ বহু সংখ্যক নাট ৰচনা কৰি নাট্য প্ৰতিভাৰ চানেকি ৰাখি থৈ গৈছে। নাটকেইখন হ'ল *জয়মতী (১৯০০), গদাধৰ (১৯০৩), সাধনী (১৯১০), লাচিত বৰফুকন (১৯১৫), বাণৰজা (১৯৩৩), গাঁওবুঢ়া (১৮৯৩), টেটোন তামুলী (১৯০৯)* আৰু *ভূত নে ভ্ৰম (১৯২৪)*। ইয়াৰে ভিতৰত প্ৰথম পাঁচখন বুৰঞ্জীমূলক নাটক আৰু বাকী তিনিখন কমেডি আৰু ধেমেলীয়া নাটক। ১৮৯৩ চনত *গাঁওবুঢ়া* নাটকৰ যোগেদি তেওঁ নাট্য জগতত প্ৰৱেশ কৰে। অৱশ্যে ইয়াৰ আগতে গোহাঞিবৰুৱাই বেণুধৰ ৰাজখোৱাৰ সৈতে লগ লাগি ১৮৮৯ চনত *ডেকা গাভৰু* নামৰ নাটক এখন ৰচনা কৰিছিল। *ডেকা গাভৰুৰ* পিছতে বেণুধৰ ৰাজখোৱাই ১৮৯৪ চনত ৰচনা কৰে *সেউতি কিৰণ* নামৰ কাল্পনিক নাট। আনহাতে ৰাজখোৱাই দুখন পৌৰাণিক নাটক ৰচনা কৰে— *দুৰ্যোধনৰ উৰুভংগ* (১৯০৩) আৰু *দক্ষযজ্ঞ* (১৯০৮)। ৰাজখোৱাৰ প্ৰহসনমূলক নাটকৰ সংখ্যা ছখন — *তিনিঘৈণী (১৯০৮), অশিক্ষিতা ঘৈণী (১৯০২), কুৰি শতিকাৰ সভ্যতা (১৯০৮), চোৰৰ সৃষ্টি (১৯৩১), যমপুৰী (১৯৩১)* আৰু *টোপনিৰ পৰিণাম (১৯৩২)*।

দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাই শিশু উপযোগী দুখন পৌৰাণিক নাট ৰচনা কৰে— *গুৰু দক্ষিণা* আৰু *বৃষকেতু*। তদুপৰি তিনিখন ধেমেলীয়া নাটকো ৰচনা কৰে— *নিগ্ৰো (১৮৯৬), মহৰি (১৮৯৬)* আৰু বেণুধৰ ৰাজখোৱাৰ লগত যুটীয়াভাৱে ৰচিত *কলিযুগ*। চন্দ্ৰধৰ বৰুৱাই *মেঘনাদ বধ (১৯০৪), তিলোত্তমা সম্ভৱ (১৯২৬)* আৰু *ৰাজৰ্ষি (১৯৩৩)*— এই তিনিখন পৌৰাণিক নাট ৰচনা কৰে। আনহাতে, *ভাগ্য পৰীক্ষা* (১৯১৫) তেওঁৰ ধেমেলীয়া নাট। মৰণোত্তৰভাৱে চন্দ্ৰধৰ বৰুৱাৰ ভালেকেইখন নাট প্ৰকাশ পাইছে — *পুনৰ জন্ম* (১৯৩৬), *অসম সন্ধ্যা* (১৯৩৬) আৰু *বিয়া বিলৈ* (১৯২৯)। *পুনৰ জন্ম* পৌৰাণিক, *মোগল বিজয়* আৰু *অসম সন্ধ্যা* ঐতিহাসিক আৰু *বিয়া বিলৈ* সামাজিক নাটক। বৰুৱাৰ নাটসমূহৰ ভিতৰত *মেঘনাদ বধ* নাটকীয় গুণেৰে সমৃদ্ধ আৰু এই নাটখনিয়ে সেই সময়ত ৰংগমঞ্চত খলকনি তুলিবলৈ সক্ষম হৈছিল।

দুৰ্গেশ্বৰ শৰ্মাই অমিত্ৰাক্ষৰ ছন্দত তিনিখন নাট ৰচনা কৰিছিল— *পাৰ্থ-পৰাজয়* (১৯০৯), *বালীবধ* (১৯১৯) আৰু *চন্দ্ৰাৱলী* (১৯১০)। প্ৰথম দুখন নাটৰ বিষয়বস্তু পৌৰাণিক। *চন্দ্ৰাৱলী* শ্বেইক্সপীয়েৰৰ *As You Like It* নাটৰ মুকলি অনুবাদ। শৈলধৰ ৰাজখোৱাই তিনিখন নাটৰ যোগেদি অসমীয়া নাট্য সাহিত্য পুষ্ট কৰিছে। নাট তিনিখন হ'ল— *বিদ্যাৱতী* (১৯১৮), *অসম গৌৰৱ* (১৯৩৫) আৰু শ্বেইক্সপীয়েৰৰ *Othello* নাটৰ অনুবাদ *ৰণজিৎ*। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়ে শ্বেইক্সপীয়েৰৰ তিনিখন নাট *Troilus and Cressida, King Lear* আৰু *Taming of the Shrew* অসমীয়ালৈ অনুবাদ কৰে।

নকুলচন্দ্ৰ ভূঞাই চাৰিখন ঐতিহাসিক নাট ৰচনা কৰে — *বদন বৰফুকন* (১৯২৩), *চন্দ্ৰকান্ত সিংহ* (১৯২৩), *বিদ্ৰোহী মৰাণ* (১৯৩৮) আৰু *নুমলী কুঁৱৰী*

(১৯৬৩)। এওঁৰ চাৰিওখন নাটেই ঐতিহাসিক আৰু চাৰিওখন নাটেই দুখাত্মক বা ট্ৰেজেদিমূলক।

এইযুগৰ এগৰাকী উল্লেখনীয় নাট্যকাৰ হ'ল — দৈবচন্দ্ৰ তালুকদাৰ। এওঁ মুঠতে আঠখন নাটক ৰচনা কৰে। তাৰে ভিতৰত পাঁচখন বুৰঞ্জীমূলক আৰু বাকী তিনিখন সামাজিক নাটক। বুৰঞ্জীমূলক নাটকেইখন হ'ল— *বামুণী কোঁৱৰ* (১৯২৮), *অসম প্ৰতিভা* (১৯২৮), *ভাস্কৰবৰ্মা* (১৯৫২) আৰু *ৰাধা-ৰুক্মিণী*। *বিপ্লৱী, চন্দ্ৰকলা* আৰু *লহঙা* সামাজিক নাট। দণ্ডিনাথ কলিতাৰ *সতীৰ তেজ* (১৯৩১), *অগ্নিপৰীক্ষা* (১৯৩৩) গহীন নাট আৰু *পোহনীয়া কুকুৰ, পৰাচিত* প্ৰহসনমূলক ব্যংগ নাটক।

ঊনবিংশ শতিকাৰ তৃতীয় দশকৰ উল্লেখযোগ্য তথা ৰংগমঞ্চত বিশেষ সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হোৱা এগৰাকী নাট্যকাৰ হ'ল পজিৰুদ্দিন আহমেদ। *গুলেনাৰ* (১৯২৪) আৰু *সিন্ধু বিজয়* (১৯২৮) এওঁৰ মঞ্চসফল ঐতিহাসিক নাটক। এই সময়ৰ আন এগৰাকী প্ৰসিদ্ধ নাট্যকাৰ হ'ল মিত্ৰদেৱ মহন্ত। *বৈদেহী বিয়োগ* (১৯৫০), *প্ৰচ্ছন্ন পাণ্ডৱ* (১৯৫৪), *বলিছলন* আৰু *অম্বা* পৌৰাণিক নাটক। কিন্তু তুলনামূলকভাৱে মহন্তৰ জনপ্ৰিয়তা ধেমেলীয়া নাট্যাৱলীত। *বিয়া বিপৰ্যয়* (১৯২৮) আৰু *কুকুৰীকণাৰ আঠমঙলা* (১৯১৩) এওঁৰ সৰ্বাধিক সমাদৃত নাটক।

পৌৰাণিক, ঐতিহাসিক, অনূদিত আদি বিভিন্ন শ্ৰেণীৰ নাটক ৰচনা কৰি এসময়ত প্ৰসিদ্ধি লাভ কৰা নাট্যকাৰ এগৰাকী হ'ল অতুলচন্দ্ৰ হাজৰিকা। তেওঁৰ পৌৰাণিক নাটকসমূহ হ'ল— *নন্দদুলাল (১৯৩৫), কুৰুক্ষেত্ৰ (১৯৩৬), ৰুক্মিণীহৰণ (১৯৪৯), নৰকাসুৰ (১৯৩০), শ্ৰীৰামচন্দ্ৰ (১৯৩৩), সাবিত্ৰী (১৯৩৯), চম্পাৱতী (১৯৪৯), বেউলা (১৯৩৯), নিৰ্যাতিত (১৯৫০)*। এই নাটসমূহৰ বেছিভাগৰেই প্ৰকাশ মাধ্যম অমিত্ৰাক্ষৰ ছন্দ। বুৰঞ্জীমূলক নাটকেইখন হ'ল *কনৌজ কুঁৱৰী (১৯৩৩), ছত্ৰপতি শিৰাজী (১৯৪৩), টিকেন্দ্ৰজিত (১৯৫৯)* আৰু *পাণিপথ*। অনুবাদমূলক নাটৰ ভিতৰত শ্ৰেইক্সপীয়েৰৰ — *Merchant of Venice* আৰু *King Lear* ক্ৰমে *বণিজ কোঁৱৰ* আৰু *অশ্ৰুতীৰ্থ* নাম দি অসমীয়ালৈ ৰূপান্তৰ কৰে। হাজৰিকাৰ আন কেইখনমান নাটক হ'ল *মাৰ্জিয়ানা* (১৯৩৯), *মানস প্ৰতিমা* (১৯৪৮), *ৰংমহল* আৰু *কল্যাণী* (১৯৩৯)। এই সময়ৰ আন দুখন মঞ্চসফল ঐতিহাসিক নাটক হ'ল প্ৰসন্নলাল চৌধুৰীৰ *কমতা কুঁৱৰী* (১৯৪০) আৰু *নীলাম্বৰ* (১৯২৬)।

ৰোমাণ্টিক যুগটোৰ আটাইতকৈ প্ৰতিভাশালী নাট্যকাৰগৰাকী হ'ল জ্যোতিপ্ৰসাদ আগৰৱালা। বিষয়বস্তু আৰু উপস্থাপনৰ ৰীতি উভয়তে আমূল পৰিৱৰ্তন ঘটাই জ্যোতিপ্ৰসাদে সমসাময়িক নাটকৰ গতানুগতিকতা আঁতৰ কৰে। সামাজিক বাস্তৱতাক নাটকৰ মূল চিন্তাৰূপে লৈ আৰু শ্ৰেইক্সপীয়েৰীয় তথা ইবছেনীয় কৌশলৰ সমন্বয় ঘটাই জ্যোতিপ্ৰসাদ আগৰৱালাই অসমীয়া নাটকৰ নতুন দিশ উন্মোচন কৰে। এওঁৰ নাটককেইখন হ'ল — *শোণিত কুঁৱৰী* (১৯২৫), *কাৰেঙৰ লিগিৰী* (১৯৩০),

লভিতা (১৯৪৮), *ৰূপালীম* (১৯৬০) আৰু *খনিকৰ* (১৯২৮)।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে ১৮৮৯ চনৰ পৰা ১৯৪০ চনৰ ভিতৰত অসমীয়া ভাষাত ভালেসংখ্যক নাটক ৰচিত হৈছে। পৌৰাণিক, ঐতিহাসিক, সামাজিক, ধেমেলীয়া, কাল্পনিক আদি বিভিন্ন শ্ৰেণীৰ নাটকে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছে। পদ্মনাথ গোহাঞিবৰুৱাৰ পৰা জ্যোতিপ্ৰসাদ আগৰৱালালৈকে বিভিন্ন নাট্যকাৰে তেওঁলোকৰ নাট্য সাহিত্যৰ যোগেদি অসমীয়া ৰোমাণ্টিক যুগটোক সমৃদ্ধ কৰি তোলাত অপৰিসীম অৱদান আগবঢ়াই থৈ গৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ প্ৰথম অসমীয়া ট্ৰেজেদিমূলক নাটকখনৰ নাম কি?

.....

প্ৰশ্ন নং ৪ ঃ *কানীয়াৰ-কীৰ্তন* আৰু *বঙাল-বঙালনী* নাটক দুখনৰ নাট্যকাৰ কোন কোন?

.....

প্ৰশ্ন নং ৫ ঃ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰক —

(ক) বেজবৰুৱাৰ বুৰঞ্জীমূলক নাটককেইখন হ'ল *জয়মতী কুঁৱৰী, চক্ৰধ্বজ সিংহ* আৰু *বেলিমাৰ*।

(খ) দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাই শিশু উপযোগী দুখন পৌৰাণিক নাট ৰচনা কৰে— *গুৰু দক্ষিণা* আৰু *বামু*।

(গ) মিত্ৰদেৱ মহন্তৰ *বৈদেহী বিয়োগ, প্ৰচ্ছন্ন পাণ্ডৱ, বলিছলন* আৰু *অম্বা* পৌৰাণিক নাটক।

.....

১৩.৩.৩ অন্যান্য সাহিত্য

ৰোমাণ্টিক যুগৰ অসমীয়া সাহিত্যত প্ৰবন্ধ বা সমালোচনা সাহিত্য, জীৱনী, ৰম্য-ৰচনা আদিয়ে বিশেষ স্থান অধিকাৰ কৰি আছে। 'অৰুণোদয়' যুগতে প্ৰবন্ধ তথা সমালোচনা সাহিত্যই ভুমুকি মাৰিছিল। তাৰ পাছত *আসাম বিলাসিনী, আসাম বন্ধু, আসাম নিউজ* আদি কাকতৰ যোগেদি হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, ৰত্নেশ্বৰ মহন্ত আদি লেখকসকলে প্ৰবন্ধ সাহিত্যক উন্নতিৰ পথেৰে আগবঢ়াই নিয়ে। কিন্তু সেই যুগৰ বেছিভাগ প্ৰবন্ধই আছিল চিন্তাধৰ্মী আৰু বস্তুধৰ্মী। *জোনাকী* কাকতৰ প্ৰকাশৰ লগে লগে মনোধৰ্মী, ব্যক্তিনিষ্ঠ আৰু ৰসাত্মক প্ৰবন্ধ ৰচনাৰো ইতিহাস আৰম্ভ হয় বুলি ক'ব পাৰি। ৰোমাণ্টিক যুগত সৃষ্টি হোৱা এনে ধৰণৰ সাহিত্যৰাজিৰ বিষয়ে তলত চমুকৈ আলোচনা আগবঢ়োৱা হ'ল।

➢ *জীৱনী-সাহিত্য ঃ* অসমীয়া সাহিত্যত সপ্তদশ শতিকামানৰ পৰা পদ্য আৰু গদ্যত চৰিতপুথি ৰচনা কৰা দেখা যায়। বৈষ্ণৱ সন্ত-মহন্তসকলৰ জীৱন চৰিতসমূহে মধ্যযুগৰ অসমীয়া সাহিত্য জাতিষ্কাৰ কৰি ৰাখিছে। এইবোৰো জীৱনী সদৃশ ৰচনা যদিও ইয়াত সন্ত-মহন্তসকলৰ আদর্শাত্মক ৰূপটোহে পোৱা যায়। দৃষ্টিভংগী আৰু ৰচনাভঙ্গীৰ ফালৰপৰা এই চৰিতপুথিসমূহৰ লগত আধুনিক যুগৰ জীৱন-চৰিতৰ বিশেষ পার্থক্য দেখা যায়।

আধুনিক যুগৰ জীৱনী সাহিত্যৰ কথা ক'বলৈ গ'লে গুণাভিৰাম বৰুৱাই ৰচনা কৰা *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰৰ* (১৮৮০) কথাই প্রথমে মনলৈ আহে। এইখনেই আধুনিক যুগৰ প্রথম অথচ আদর্শ জীৱনী। বচৱেলৰ জন্চনৰ জীৱনীৰ দৰে এইখন জীৱনীতো ফুকনৰ পূর্বপুৰুষৰ পৰা আৰম্ভ কৰি তেওঁৰ জীৱনৰ সৰু-বৰ সকলো ঘটনা জীৱন্তভাৱে ৰখা হৈছে। জীৱনীখনিৰ ভাষা প্রাঞ্জল আৰু গদ্যৰীতিও বৈশিষ্ট্যপূর্ণ।

লক্ষ্মীনাথ বেজবৰুৱাৰ *শংকৰদেৱ* (১৯১২) আৰু *শ্রীশংকৰদেৱ আৰু শ্রীমাধৱদেৱ* (১৯১৬) ৰোমাণ্টিক যুগত ৰচিত আন দুখনি উল্লেখযোগ্য জীৱনী সাহিত্য। প্রথমখন *ৰৱদোৱা চৰিত* আৰু দ্বিতীয়খন *কথা গুৰুচৰিতৰ* বিষয়বস্তুৰ আধাৰত প্রতিষ্ঠিত। বিষয়বস্তু প্রাচীন হ'লেও ইয়াৰ আধুনিক লক্ষণ হ'ল ভাষা আৰু পার্যমানে অলৌকিকতা বর্জন।

জীৱনবৃত্তৰ দৰে প্রভূত উপাদান সংগ্রহ কৰি তাৰে বিচাৰপূর্বক ৰচনা জীৱন-চৰিতৰ এটা ভাল নিদর্শন দাঙি ধৰিছে সূর্য্যকুমাৰ ভূঞাৰ দ্বাৰা ৰচিত *আনন্দৰাম বৰুৱা*(১৯২০) শীর্ষক জীৱনীখনে। সমালোচকসকলৰ মতে এইখন সার্থক জীৱন চৰিত। আনন্দৰাম বৰুৱাৰ জীৱনীৰ উপৰি সূর্য্যকুমাৰ ভূঞাই *গোপালকৃষ্ণ গোখলে*(১৯১৬), *ৰবীন্দ্রনাথ ঠাকুৰ* (১৯২০) নামৰ আৰু দুখন জীৱনীও ৰচনা কৰে। দণ্ডিনাথ কলিতাৰ *কর্মবীৰ চন্দ্রনাথ*(১৯২৪) এখনি উল্লেখযোগ্য জীৱনী। সর্বেশ্বৰ শর্মা কটকীৰ *হেমচন্দ্র বৰুৱাৰ জীৱন চৰিত* (১৯২৩) আৰু *সত্যনাথ বৰাৰ জীৱন চৰিত* (১৯২৩) দুখন লেখত ল'বলগীয়া জীৱনী। হৰেন্দ্রনাথ শর্মাৰ *জোৱান ডার্ক* (১৯১৮) আৰু *কামাল পাছা* (১৯৩২) আকর্ষণীয় কথনভঙ্গীৰ দুখন জীৱনী।

লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱনৰ আধাৰত ৰচিত কমলেশ্বৰ চলিহাৰ *বিশ্বৰসিক লক্ষ্মীনাথ বেজবৰুৱা* (১৯৩৯) এখনি সাহিত্যিক জীৱনী। ১৯৪০ চনৰ ভিতৰত ৰচিত আন আন অসমীয়া জীৱনীসমূহ হ'ল— মহাদেৱ শর্মাৰ *বুদ্ধদেৱ* (১৯১৪), *মহম্মদ চৰিত* (১৯২৮), *কস্তুৰবা গান্ধী* (১৯৪৪); বসন্ত কুমাৰ বৰুৱাৰ *বুকাৰ ৰাচিংটন* (১৯২৬); উপেন্দ্রনাথ বৰুৱাৰ *ইন্দিবৰ বৰুৱা* (১৯২৪); পদ্মনাথ গোহাঞিবৰুৱাৰ একাধিক ব্যক্তিৰ সমষ্টিৰে *জীৱনী সংগ্রহ* (১৯০১); সূর্য্যকুমাৰ ভূঞাৰ *জোনাকী* (১৯২৩) আৰু *চানেকি* (১৯২৮); কুমুদেশ্বৰ ঠাকুৰৰ *মাণিক*

(১৯১৩); গোপীনাথ বৰদলৈৰ *তৰুণৰাম ফুকনৰ জীৱনী* (১৯৩৪); সতীশচন্দ্ৰ কাকতিৰ *হিটলাৰ-মুছলিনি* (১৯৩৮); কেশৰ পাঠকৰ *মহাত্মা গান্ধী* (১৯২২); কালিৰাম বৈশ্যৰ *বেঞ্জামিন ফ্ৰেঙ্কলিন* (১৯৩০); লক্ষ্মীনাথ বেজবৰুৱাৰ *ডাঙৰীয়া দীননাথ বেজবৰুৱা* (১৯০৯); ফণীধৰ চলিহাৰ *ঘিণাৰাম বৰুৱা* (১৯১২) আদি।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে ৰোমাণ্টিক যুগত ভালেসংখ্যক জীৱনীমূলক গ্ৰন্থই অসমীয়া সাহিত্যত আত্মপ্ৰকাশ কৰে। এনেবোৰ গ্ৰন্থই নিঃসন্দেহে অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি সাধনত অৰিহণা যোগাইছে।

- *প্ৰবন্ধ সাহিত্য ঃ* সংখ্যা আৰু বিষয়বস্তুৰ বহুমুখিতাৰ ফালৰপৰা লক্ষ্মীনাথ বেজবৰুৱা ৰোমাণ্টিক যুগৰ শ্ৰেষ্ঠ প্ৰবন্ধ লেখক। সাহিত্য, সমাজ, ধৰ্ম আনকি ৰাজনীতি — এই সকলো বিষয় লৈ বেজবৰুৱাই অজস্ৰ প্ৰবন্ধ ৰচনা কৰিছে। আদিৰ পৰাই বেজবৰুৱাই গধুৰ আৰু লঘু এই দুয়োবিধ প্ৰবন্ধ ৰচনা কৰি আহিছে। কৃপাবৰ বৰুৱা ছদ্মনামেৰে *জোনাকীত* ব্যঙ্গ আৰু হাস্যৰসপূৰ্ণ যি প্ৰবন্ধ প্ৰকাশ হৈছিল, সেয়ে *কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা* নাম লৈ ১৯০৫ চনত প্ৰকাশ হয়। তাৰ পাছত গুৱাহাটীৰ পৰা প্ৰকাশিত *জোনাকীত* কৃপাবৰ বৰুৱা আকৌ আৱিৰ্ভাৱ হয়। সেইবোৰ প্ৰবন্ধ আৰু ঊষাত ওলোৱা দুই-চাৰিটা প্ৰবন্ধৰ সমষ্টিয়েই পুথিৰ আকাৰত *কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰবুৰণি* (১৯৫১), *বৰবৰুৱাৰ বুলনি* (১৯৬৪)। প্ৰবন্ধাৱলীৰ বাহিৰেও *ভগৱৎকথা, কৃষ্ণকথা, কামত কৃতিত্ব লভিবৰ সংকেত* নামৰ চিন্তামূলক, বস্তুনিষ্ঠ গ্ৰন্থ বেজবৰুৱাই ৰচনা কৰে। বেজবৰুৱাৰ গহীন প্ৰবন্ধ প্ৰায়বোৰেই বৈষ্ণৱ ধৰ্ম সম্পৰ্কীয়। *কৃষ্ণকথা, তত্ত্বকথা* আদি উপনিষদ, ভাগৱত আদি পুৰাণ অধ্যয়নৰ ফল।

বেজবৰুৱাৰ পাছৰ এগৰাকী উল্লেখযোগ্য প্ৰবন্ধকাৰ হ'ল সত্যনাথ বৰা। যিসকলে সচেতনভাৱে বস্তুনিষ্ঠ আধুনিক অসমীয়া গদ্য-ৰীতি সৃষ্টি কৰিবলৈ যত্ন কৰিছে, তাৰ ভিতৰত সত্যনাথ বৰাই সকলোতকৈ অধিক কৃতকাৰ্যতা লাভ কৰিছে। *আকাশ ৰহস্য* (১৯০৮), *সাহিত্য বিচাৰ* (১৯২২), *সাৰথি* (১৯১৫), *কেন্দ্ৰসভা* (১৯২৪) আৰু *চিন্তাকলি* (১৯২৫) এই কেইখনিত বৰাৰ কথাশৈলীৰ বিকাশ মন কৰিবলগীয়া। তদুপৰি প্ৰবন্ধক (Essay) এওঁ বিশিষ্ট আৰ্ট ৰূপে কৰ্ষণ কৰিবলৈ যত্ন কৰিছিল। বেকনৰ আৰ্হিত জ্ঞানদায়ক প্ৰবন্ধ আৰু বেকনৰ দৰেই প্ৰবাদ-বাক্যৰ তুল্য সূক্ষ্ম বাক্যই *সাৰথিক* মূল্যৱান সম্পদ কৰি তুলিছে। সততে নিভাঁজ অসমীয়া ভাষা লিখিবৰ প্ৰযত্নও বৰাৰ এটি কীৰ্তি।

পদ্মনাথ গোহাঞিবৰুৱাই অসমীয়া ভাষাক বিদেশীৰ ভাঁজ নপৰা এটি গঢ় দিবলৈ প্ৰচেষ্টা কৰিছিল। এওঁৰ *পঢ়াশলীয়া পুথি, নীতিশিক্ষা, বুৰঞ্জীবোধ* সৰল অসমীয়া ভাষাৰ নিদৰ্শন। অৱশ্যে পাছৰফালে তেওঁৰ গদ্যই গধুৰ ৰূপ ধাৰণ কৰে। বিশেষকৈ তিনি খণ্ডযুক্ত *শ্ৰীকৃষ্ণ* (১৯৩০), *গীতিমাৰ* (১৯৩৫)ত তেওঁৰ গদ্যই পূৰ্ণাংগ তথা গতিশীল ৰূপ ধাৰণ কৰিছে।

এই সময়ছোৱাৰ আন এগৰাকী উল্লেখনীয় প্ৰবন্ধকাৰ হ'ল জ্ঞাননাথ বৰা। ভাষাৰ সাধনাত তেওঁ সত্যনাথ বৰাৰ ৰীতি গ্ৰহণ কৰিছিল। *যুগতত্ত্ব* (১৯২৫), *নতুন জগত* (১৯৪৬), *অসমত বিদেশী* (১৯২৫)— এইবোৰ প্ৰবন্ধ সংকলনত জগত বা বিশ্ব সম্পৰ্কীয় নতুন চিন্তাধাৰা প্ৰকাশ পাইছে।

ৰোমাণ্টিক যুগৰ এই প্ৰবন্ধ সাহিত্যিকসকলে আৰ্হি হিচাপে লৈ পৰৱৰ্তী সময়ত কনকলাল বৰুৱা, সূৰ্য্যকুমাৰ ভূঞা, বেণুধৰ শৰ্মা, অম্বিকাগিৰি ৰায়চৌধুৰী, নীলমণি ফুকন, বাণীকান্ত কাকতি আদিয়ে এই শ্ৰেণী ৰচনাক ফলে-ফুলে জাতিষ্কাৰ কৰি তোলে।

- *সাহিত্য-সমালোচনা ঃ* সাহিত্যৰ অন্যান্য কেইবাটাও ধাৰাৰ দৰে সমালোচনা সাহিত্যৰো বাট মুকলি হয় ৰোমাণ্টিক যুগত । লক্ষ্মীনাথ বেজবৰুৱা ইয়াৰো পথ-প্ৰদৰ্শক। ৰোমাণ্টিক যুগৰ আগৰ আন লেখকৰ ৰচনাত সমালোচনামূলক মন্তব্য নথকা নহয়। কিন্তু সাহিত্যতত্ত্বৰ আদৰ্শ আগত লৈ সাহিত্যকৰ্মৰ বিচাৰ কৰা চেষ্টা বেজবৰুৱাৰ ৰচনাতেই পোনতে চকু পৰে। শংকৰদেৱৰ সাহিত্যকৰ্মৰ আলোচনাৰে বেজবৰুৱাই সমালোচক হিচাপে আত্মপ্ৰকাশ কৰে। এই প্ৰসঙ্গত প্ৰধানকৈ 'কীৰ্ত্তন' আৰু 'ৰুক্মিণী-হৰণ কাব্য'ৰ আলোচনালৈ আঙুলিয়াব পাৰি। আনহাতে, অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণে বেজবৰুৱাক সাহিত্য-তত্ত্ব জ্ঞানৰ মানবিশিষ্ট এগৰাকী সমালোচক হিচাপে থিয় কৰায়।

অসমীয়াত সমালোচনা সাহিত্যত এটি মানবিশিষ্ট পৰম্পৰাৰ সৃষ্টি কৰে বাণীকান্ত কাকতিয়ে। ইংৰাজী, গ্ৰীক, সংস্কৃত সাহিত্যৰ গভীৰ অধ্যয়নেৰে পুষ্ট কাকতিৰ তীক্ষ্ণধীসম্পন্ন আৰু বিশ্লেষণশীল মন আধুনিক সমালোচনাৰ বাবে অতি উপযোগী আছিল। সমালোচনাৰ বাবে যিকেইটা গুণ অপৰিহাৰ্য, সেইকেইটা বাণীকান্ত কাকতিৰ ৰচনাতে পোন প্ৰথম পৰিলক্ষিত হয়। সমালোচনাৰ তাত্ত্বিক আদৰ্শৰ প্ৰতি সজাগতা, নিৰপেক্ষতা আৰু সংযম, যুক্তি, তুলনা আৰু বিশ্লেষণ — কাকতিৰ সমলোচনাৰ বিশিষ্ট লক্ষণ। শব্দৰ যথাযথ ব্যৱহাৰ আৰু ভাষাৰ সমন্বয় আৰু পৰিমিত প্ৰকাশভংগী কাকতিৰ সমালোচনাৰ অতিৰিক্ত সম্পদ। ইয়াৰ দৃষ্টান্ত হিচাপে তেওঁৰ *পুৰণি অসমীয়া সাহিত্য* (১৯৪০)ৰ অন্তৰ্গত সমালোচনাখিনিলৈ আঙুলিয়াব পাৰি। উল্লেখযোগ্য এই পুথিখনৰ অন্তৰ্গত 'সাহিত্যত কৰুণ ৰস' প্ৰবন্ধটি ছাত্ৰ অৱস্থাতে লিখা যদিও তাৰ মাজেদিয়েই তেওঁৰ সমালোচনাত্মক মনৰ মূৰ্ত প্ৰকাশ ঘটিছে। তদুপৰি *সাহিত্য আৰু প্ৰেম* বিশ্বসাহিত্যৰ পৰিচয় থকা এখনি উল্লেখযোগ্য পুথি। কাকতিয়ে তেওঁৰ সমসাময়িক, অগ্ৰজ আৰু অনুজ লেখকসকলৰ বিষয়েও আলোচনা কৰিছে। অসমীয়া সমালোচনা সাহিত্যই বলিষ্ঠ ৰূপ লয় বাণীকান্ত কাকতিৰ হাততেই।

কাকতিৰ সমসাময়িক এগৰাকী সমালোচক হ'ল ডিম্বেশ্বৰ নেওগ। সূক্ষ্ম বিচাৰ-বুদ্ধি, মৌলিক দৃষ্টিভংগী আৰু নিৰ্ভীকভাৱে নিজস্ব মত দাঙি ধৰাৰ চেষ্টা

এওঁৰ সমালোচনাৰ বিশেষত্ব। অসমীয়া সাহিত্যৰ বুৰঞ্জী লেখক হিচাপেও তেওঁৰ খ্যাতি সর্বজনবিদিত। *আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী* (১৯৩৬), *অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি* (১৯৪০) আৰু *অসমীয়া সাহিত্য বুৰঞ্জী* (১৯৫৬) — নেওগৰ সাহিত্যৰাজিৰ অন্তর্গত অসমীয়া সাহিত্যৰ বুৰঞ্জী সম্পর্কীয় উল্লেখযোগ্য গ্রন্থ।

সমালোচনা সাহিত্যৰ ক্ষেত্রত আন তিনিগৰাকী উল্লেখনীয় সমালোচক হৈছে— সত্যনাথ বৰা, দেৱানন্দ ভৰালী আৰু কালিৰাম মেধি। সত্যনাথ বৰাৰ *সাহিত্য বিচাৰ* (১৯০৮), দেৱানন্দ ভৰালীৰ *অসমীয়া ভাষাৰ মৌলিক বিচাৰ* (১৯১২), কালিৰাম মেধিৰ *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব* (১৯৩৬)ৰ নাম এই প্রসঙ্গত উল্লেখ কৰিব পাৰি। ৰোমাণ্টিক যুগৰ সাহিত্য সম্পর্কীয় সমালোচনামূলক গ্রন্থৰ ভিতৰত হেমচন্দ্র গোস্বামীৰ *অসমীয়া সাহিত্যৰ চানেকি* (১৯২৩-২৯), *A descriptive Catalogue of Assamess Manuscripts* (1930), সেনাপতি দেৱশর্মাৰ *সাহিত্যৰ সাজ* (১৯২৬), হৰমোহন দাসৰ *সাহিত্য তত্ত্ব* (১৯৩৯)। 'য়ুৰোপৰ ভাষা আৰু সাহিত্য', 'স্পেনিছ সাহিত্যত ৰোমিঅ' জুলিয়েট', 'জার্মান সাহিত্যৰ সপোন নাটক', 'গ্রীক নাটকৰ গান', 'চক্রেটিছৰ মতে কবি প্রকৃতি' আদি নিবন্ধৰ যোগেদি কৃষ্ণকান্ত সন্দিকৈয়ে পাঠকক বিশ্বসাহিত্যৰ লগত পৰিচয় কৰাই দিয়ে। একেদৰে সূর্য্যকুমাৰ ভূঞাৰ *সাহিত্যৰ মূলকথা, ৰৰফুকনৰ গীতৰ সংগ্রহ* (১৯২৪) লেখত ল'বলগীয়া সাহিত্যৰ সমালোচনা তথা সংগ্রহ। *ৰৰফুকনৰ গীতৰ* পাতনিখন অসমীয়া সাহিত্য জগতৰ আজিও মূল্যৱান সম্পদ।

এনেদৰে ৰোমাণ্টিক যুগত সাহিত্যৰ সমালোচনাই এক সুকীয়া কথা আধুনিক দৃষ্টিভঙ্গী গ্রহণ কৰা পৰিলক্ষিত হয়। পৰৱর্তীকালত এইসকল লেখকৰ হাততেই সমালোচনা সাহিত্যই আৰু অধিক পৰিপক্কতা লাভ কৰিবলৈ সক্ষম হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ সত্যনাথ বৰাই লিখা দুখন প্রবন্ধ পুথিৰ নাম লিখক ?

.....

প্রশ্ন নং ৭ ঃ *পুৰণি অসমীয়া সাহিত্যৰ* ৰচয়িতা কোন ?

.....



১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জোনাকী যুগতেই প্রকৃত অর্থত ধর্ম-নিৰপেক্ষ সাহিত্যৰ পৰম্পৰা গঢ় লৈ উঠে আৰু পাশ্চাত্য

সাহিত্যৰ দৰে অসমীয়া সাহিত্যতো কবিতা, চুটি গল্প, উপন্যাস, নাটক আদি নতুন নতুন সাহিত্যৰ সৃষ্টি হ'বলৈ ধৰে।

- উপন্যাসৰ ক্ষেত্ৰত দেখা যায়— এই যুগৰ অসমীয়া উপন্যাসখিনি আছিল মূলতঃ ঐতিহাসিক উপন্যাস। এই যুগৰ শেষৰ ফালেহে দুই-এখনকৈ সামাজিক উপন্যাস ৰচনা হ'বলৈ ধৰে।
- জোনাকী যুগত যিখিনি নাটক ৰচিত হ'ল সেই নাটকখিনি আছিল দুই প্ৰকাৰৰ। প্ৰথমতে— সৰহসংখ্যক নাটকেই আছিল প্ৰহসনমূলক বা ধেমেলীয়া। দ্বিতীয়তে এই যুগত পৌৰাণিক, ঐতিহাসিক আৰু অনুবাদমূলক নাটকৰ পয়োভৰ আছিল অধিক। আনহাতে, সৰহ সংখ্যক নাটকতে শ্বেইক্সপীয়েৰৰ নাটকৰ কলা-কৌশলৰ প্ৰভাৱ আছিল পোনপটীয়া।
- জোনাকী যুগত ৰচিত অন্যান্য সাহিত্যৰ ভিতৰত আছিল জীৱনী, প্ৰবন্ধ আৰু সমালোচনামূলক সাহিত্য। প্ৰবন্ধৰ ক্ষেত্ৰত ব্যংগ আৰু হাস্যৰসে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। তথাপি এই যুগতেই সাহিত্যতত্ত্বৰ বিধি অনুযায়ী সমালোচনামূলক সাহিত্যয়ো উত্তৰণৰ পিনে গতি কৰা পৰিলক্ষিত হয়।
- অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগ সৃষ্টিত বা ৰোমাণ্টিক ভাবধাৰা অসমীয়া সাহিত্যলৈ আমদানি কৰাৰ ক্ষেত্ৰত *জোনাকী* নামৰ কাকতখনিয়ে মুখ্য ভূমিকা পালন কৰিছে। কবিতা, চুটি গল্প, উপন্যাস, নাটক, প্ৰবন্ধ, সমালোচনা, ৰম্যৰচনা এই সকলোৰে আশ্ৰয় স্থল আছিল *জোনাকী* কাকত। *জোনাকী* নোহোৱা হ'লে অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগৰ সৃষ্টি সম্ভৱপৰ হৈ নুঠিলহেঁতেন। সেইবাবে নিঃসন্দেহে এই কথা ক'ব পাৰি যে ৰোমাণ্টিক যুগ সৃষ্টিত *জোনাকী*ৰ অৱদান আছিল আটাইতকৈ বেছি।



১৩.৫ অধিক জানিবলৈ

১) গোস্বামী, যতীন্দ্ৰনাথ (১৯৯৪); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

২) গোস্বামী, হেমচন্দ্ৰ (১৯২৪); *অসমীয়া সাহিত্যৰ চানেকি;* কলিকতা ঃ কলিকতা বিশ্ববিদ্যালয়।

৩) ঠাকুৰ, নগেন (সম্পাঃ) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) তালুকদাৰ, নন্দ (২০০০৬); *কবি আৰু কবিতা;* গুৱাহাটী ঃ বনলতা।

৫) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৬) বৰ্মন, শিৱনাথ (সম্পাঃ) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী, দ্বিতীয় খণ্ড;* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৭) বৰগোহাঞি, হোমেন (সম্পাঃ) (২০০২); *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* যোৰহাট ঃ অসম সাহিত্য সভা।

৮) বৰুৱা, প্ৰহ্লাদ কুমাৰ (২০০৫); *অসমীয়া চুটিগল্পৰ অধ্যয়ন;* গুৱাহাটী ঃ বনলতা।

৯) বৰা, মহেন্দ্ৰ (১৯৭৬); *ৰমন্যাসবাদ;* গুৱাহাটী ঃ বাণী প্ৰকাশ।

১০) ভৰালী, শৈলেন (১৯৯০); *নাটক আৰু অসমীয়া নাটক*; গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

১১) ভৰালী, শৈলেন (১৯৯৬); *অসমীয়া ঐতিহাসিক উপন্যাস;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১২) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

১৩) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৯৭); *অসমীয়া উপন্যাসৰ ভূমিকা;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৪) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০২); *অসমীয়া নাট্য সাহিত্য;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৫) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৬) শৰ্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

১৭) শৰ্ম্মা দলৈ, শ্ৰীহৰিনাথ (২০০৪); *অসমীয়া গদ্য সাহিত্যৰ গতি পথ;* গুৱাহাটী ঃ পদ্মাপ্ৰিয়া লাইব্ৰেৰী।

১৩.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ঔপন্যাসিক পদ্মনাথ গোহাঞিবৰুৱাৰ হাতত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰজনীকান্ত বৰদলৈক।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ *ৰাম-নৱমী নাটক*।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ হেমচন্দ্ৰ বৰুৱা আৰু ৰুদ্ৰৰাম বৰদলৈ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ

৬ নং প্ৰশ্নৰ উত্তৰ ঃ *সাহিত্য বিচাৰ, সাৰথি*।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ বাণীকান্ত কাকতি।



১৩.৭ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ প্ৰথম আধুনিক অসমীয়া নাটকখনৰ নাম কি?

প্ৰশ্ন ২ ঃ ৰজনীকান্ত বৰদলৈক অসমীয়া সাহিত্যত কি নামেৰে অভিহিত কৰা হৈছে?

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা উপন্যাসকেইখনৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ পদ্মনাথ গোহাঞিবৰুৱাই ৰচনা কৰা নাটকেইখনৰ বিষয়ে চমু পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ চমুটোকা লিখক —

(ক) ঔপন্যাসিক পদ্মনাথ গোহাঞিবৰুৱা (খ) *ভানুমতী*

(গ) *কাৰেঙৰ লিগিৰি* (ঘ) ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ জোনাকী যুগৰ অন্যান্য সাহিত্যৰ বিষয়ে এটি সমালোচনাত্মক টোকা লিখক ।

প্ৰশ্ন ২ ঃ জোনাকী যুগৰ নাটক সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ অসমীয়া সাহিত্যলৈ জোনাকী যুগৰ অৱদান— এই বিষয়ে এটি বিশ্লেষণ দাঙি ধৰক।

*** ***** ***